বাণিজ্যৰ ক্ষেত্ৰত উদ্ভৱ নহয় আৰু এই সমস্যাবোৰৰ সমাধান আৰু নিষ্পত্তিৰ অৰ্থে আন্তৰ্জাতিক বাণিজ্যক অৰ্থশাস্ত্ৰৰ এক পৃথক বিভাগ হিচাপে স্বীকৃতি দিয়া হয়। লগতে ইয়াৰ সমস্যাবোৰ ব্যাখ্যা আৰু সমাধানৰ অৰ্থে পৃথক তত্ত্ব গঠনৰ প্ৰয়োজন হয়।

**আন্তঃৰাষ্ট্ৰীয় অৰ্থশাস্ত্ৰৰ বিষয়বস্তু (Subject matter of International Economics) ঃ**

আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আৰু ইয়াক কেন্দ্ৰ কৰি গঢ়ি উঠা বিভিন্ন দেশৰ মাজত সৃষ্টি হোৱা দেনা-পাওনাৰ সমস্যা এখন দেশৰ পৰা আন এখন দেশলৈ মূলধন প্ৰবাহৰ প্ৰক্ৰিয়া আৰু ইয়াৰ ভিত্তিত গঢ়ি উঠা লেন-দেনৰ সমস্যাৰ দৰে বিষয়ৰ আলোচনাই হৈছে আন্তঃৰাষ্ট্ৰীয় অৰ্থশাস্ত্ৰৰ প্ৰধান বিষয়বস্তু। এই শাস্ত্ৰৰ বিষয়বস্তুক মূলতঃ তাত্ত্বিক বিশ্লেষণ আৰু বাস্তৱ সমস্যাৰ ব্যাখ্যা হিচাপে দুটা প্ৰধান ভাগত ভাগ কৰিব পৰা যায়। তাত্ত্বিক বিশ্লেষণে বাণিজ্যৰ কাৰণ আৰু সমস্যা সমাধানৰ অৰ্থে যিবোৰ তত্ত্ব অৰ্থনীতিবিদসকলে গঠন কৰিছে সেইবোৰৰ আলোচনাক সামৰি লৈছে। আন্তঃৰাষ্ট্ৰীয় অৰ্থশাস্ত্ৰৰ তাত্ত্বিক বিশ্লেষণৰ ক্ষেত্ৰত প্ৰধান বৰঙণি যোগোৱা অৰ্থনীতিবিদসকল হৈছে সংস্থাপিত আৰু নব্য সংস্থাপিত অৰ্থনীতিবিদসকল। উল্লেখযোগ্য যে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ প্ৰধান ভিত্তি হৈছে মুক্ত অৰ্থনীতি আৰু মুক্ত বাণিজ্য। এইটো ভিত্তিতেই ইয়াৰ তাত্ত্বিক ব্যাখ্যা আৰু সমস্যাৰ সমাধানৰ উপায়বোৰৰ ব্যাখ্যা দাঙি ধৰা হৈছে।

আন্তঃৰাষ্ট্ৰীয় অৰ্থশাস্ত্ৰৰ বিষয়বোৰৰ ব্যাখ্যাৰ অৰ্থে যিবোৰ তত্ত্ব গঠন কৰা হৈছে সেইবোৰে ইয়াক কেন্দ্ৰ কৰি গঢ়ি উঠা সমস্যা সমাধান কৰিব নোৱাৰে। এনে তাত্ত্বিক বিশ্লেষণে কেৱল সমস্যা সমাধানৰ পথহে প্ৰদৰ্শন কৰিব পাৰে। আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আৰু অৰ্থনীতিৰ জটিল সমস্যাবোৰৰ বাস্তৱ সমাধনৰ বাস্তৱ অভিজ্ঞতাৰ ভিত্তিতহে সম্ভৱ। বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত সমস্যাবোৰ কেনেকৈ সমাধান হয় বা কৰিব পৰা যায় তাৰ আলোচনা আন্তঃৰাষ্ট্ৰীয় অৰ্থশাস্ত্ৰৰ আন এটা প্ৰধান বিষয়বস্তু। উদাহৰণ স্বৰূপে আন্তঃৰাষ্ট্ৰীয় লেন-দেনৰ নিষ্পত্তিৰ আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থা, এখন দেশৰ পৰা আন এখন দেশলৈ মূলধন প্ৰবাহৰ ব্যৱস্থা আৰু সাম্প্ৰতিক কালৰ অৰ্থনীতিৰ আলোচনাৰ এক প্ৰধান বিষয়বস্তু আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আৰু অৰ্থনৈতিক উন্নয়ন আন্তৰাষ্ট্ৰীয় অৰ্থবিজ্ঞানৰ প্ৰধান বিষয়বস্তুৰূপে স্বীকৃতি লাভ কৰিছে।

আজিকালি বিশ্ব অৰ্থনীতিত অতি সঘনাই আলোচিত হোৱা এটা বিষয় হৈছে আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আৰু মূলধন বিনিয়োগ। ইয়াৰ প্ৰধান কাৰণ হৈছে কম উন্নত আৰু উন্নয়নশীল দেশবোৰত উন্নয়নৰ কাৰণে প্ৰয়োজন হোৱা বৈদেশিক মুদ্ৰাৰ নাটনি। উন্নয়নৰ অৰ্থে ৰপ্তানি বাণিজ্যৰ ওপৰত নিৰ্ভৰশীল এই দেশবোৰৰ অবিৰতভাৱে হোৱা বৈদেশিক বাণিজ্যৰ ঘাটিৰ কাৰণে বৈদেশিক দেনা পৰিশোধনৰ অৰ্থে বৈদেশিক মুদ্ৰাৰ নাটনি হৈছে। এনে নাটনি দূৰ কৰি এই দেশবোৰত উন্নয়নৰ পথ কেনেকৈ সুগম কৰিব পাৰি তাৰ আলোচনাই আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিৰ আলোচনাত অতি গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে। আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ উন্নয়নৰ উপাদান হিচাপে কেনেকৈ ব্যৱহাৰ কৰিব পাৰি সেই বিষয়ৰ আলোচনাই আন্তঃৰাষ্ট্ৰীয় অৰ্থশাস্ত্ৰত বিশেষ স্থান অধিকাৰ কৰিছে। সংস্থাপিত অৰ্থনীতিবিদ জে. এছ. মিল-এ এই বিষয়টোৰ ওপৰত প্ৰথম আলোচনা আগবঢ়াইছিল আৰু পৰৱৰ্তীকালত জে. আৰ. হিক্স, ডি. এইচ. ৰবাৰ্টচন আদি অৰ্থনীতিবিদে আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আৰু উন্নয়নৰ সম্পৰ্কৰ বিষয়টোত অধিক গুৰুত্বতা প্ৰদান কৰাত ই অধ্যয়নৰ বিষয়বস্তু হিচাপে আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিত বিশেষ স্থান অধিকাৰ কৰিছে। এই বিষয়ে হেন্স ছিংগাৰ (H. Singer), গুণাৰ মিৰডেল (G. Myrdal) আদি সাম্প্ৰতিক কালৰ অৰ্থনীতিবিদৰ আলোচনাৰ পৰাও উপলব্ধি কৰিব পৰা যায়।

দ্বিতীয় মহাযুদ্ধৰ পৰৱৰ্তী কালছোৱাত বহু ৰাষ্ট্ৰীয় কোম্পানীৰ মাধ্যমত বৈদেশিক বিনিয়োগ আৰু আন্তঃৰাষ্ট্ৰীয় মূলধনৰ প্ৰবাহ, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি আৰু বিশ্ব বেংকৰ দৰে আন্তঃ ৰাষ্ট্ৰীয় বিত্তীয় প্ৰতিষ্ঠানৰ গঠন আৰু বিভিন্ন দেশৰ উন্নয়নত এইবোৰৰ বৰঙণি আৰু আন্তঃৰাষ্ট্ৰীয় বিত্তীয় প্ৰতিষ্ঠানৰ গঠন আৰু বিভিন্ন দেশৰ উন্নয়নত এইবোৰৰ বৰঙণি আৰু আন্তঃৰাষ্ট্ৰীয় বিত্তীয়-পুঁজিৰ নিয়ন্ত্ৰণ আৰু পৰিচালনা, শুল্ক আৰু বাণিজ্যৰ সাধাৰণ চুক্তি আৰু ইয়াক ভিত্তি কৰি সাম্প্ৰতিক কালত হোৱা বিশ্ব বাণিজ্য চুক্তি আৰু বিশ্ব বাণিজ্য সংস্থাৰ দৰে বিত্তীয় প্ৰতিষ্ঠানৰ কাম-কাজৰ আলোচনাই আন্তঃৰাষ্ট্ৰীয় অৰ্থশাস্ত্ৰত বিশেষ স্থান লাভ কৰিছে। বিশ্ব বাণিজ্য সংস্থা, বাণিজ্য আৰু উন্নয়নৰ ৰাষ্ট্ৰসংঘৰ সন্মিলন (UNCTAD) ইত্যাদিৰ দৰে অনুষ্ঠানৰ অধীনত যিবোৰ আন্তৰাষ্ট্ৰীয় বাণিজ্য চুক্তি সময়ে সময়ে হৈছে আৰু ব্ৰিটনউডচ্ (Brettonwoods) ব্যৱস্থাৰ অৱসান ঘটাৰ পৰৱৰ্তী কালছোৱাত আন্তঃৰাষ্ট্ৰীয় বিত্তীয় লেন-দেন পদ্ধতিৰ যিবোৰ পৰিবৰ্তন ঘটিছে সেই সকলোবোৰেই আন্তঃৰাষ্ট্ৰীয় অৰ্থবিজ্ঞানৰ অধ্যয়নৰ বিষয়বস্তু।

অৰ্থশাস্ত্ৰৰ এক পৃথক বিভাগ হিচাপে